Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



সপ্তম শ্ৰেণীৰ বাবে

অংকুৰণ

পাঠ - ১৪

বিদ্যা

অংশ - ১

পুণ্যব্ৰত বৰদলৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সকলো কাম আশা কৰা ধৰণে সমাপন কৰিবলৈ বিশেষ দক্ষতাৰ আৱশ্যক। প্ৰতিটো কামৰ বাবে সুকীয়া ধৰণৰ আহিলা থাকে। সেই আহিলা অবিহনে আগবঢ়া প্ৰায় অসম্ভৱ। দক্ষতা অৰ্জন কৰিবলৈ 'বিদ্যা' অৰ্থাৎ সেই সম্পৰ্কে বিশদ জ্ঞানৰ প্ৰয়োজন। জীৱনত সফল হ'বলৈ হ'লে যথোপযুক্ত বিদ্যা অৰ্জন কৰাটো বিশেষ গুৰুত্বপূৰ্ণ। এই পাঠটোত সেই কথাই প্ৰতিফলিত হৈছে।

লেখক/লেখিকা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

লাগতিয়াল আহিলাপাতি যতনাই নল'লে কোনো কাম সুকলমে কৰিব নোৱাৰি; কাপ নহ'লে লিখন কাম কৰিব নোৱাৰি, হাল নহ'লে কৰ্ষণ কাম কৰিব নোৱাৰি, চৰু নহ'লে ৰান্ধন কাম কৰিব নোৱাৰি।



কাপ-কলম
আহিলা
সঁজুলি

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



বিদ্যা=

এইবোৰ কামৰ যেনে সুকীয়া আহিলা আছে, উদ্‌গতি সাধনৰো তেনে সুকীয়া আহিলা আছে, আগে সেই আহিলাবোৰ গোটাই নল'লে কামত উদ্‌গতি কৰিবলৈ টান হয়। বিদ্যা উদ্‌গতিৰ ঘাই আহিলা, এতেকে যি উদ্‌গতি কৰিব খোজে, সি আগে বিদ্যা যতনাই লোৱা উচিত। বিদ্যা যে মনুষ্য জীৱনৰ এটা ঘাই বস্তু তাক নতুনকৈ প্ৰমাণ কৰিবৰ সকাম নাই, বিদ্যাহীন জীৱন বৃথা বুলি সকলোৱে স্বীকাৰ কৰে।

উন্নতি / প্রগতি

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বিদ্যাৰ আলম নহ'লে কোনেও কোনো বিষয়ত উদ্‌গতি কৰিব নোৱাৰে। আজিকালি যিবিলাকে উদ্‌গতি সাধন কৰি পৃথিৱীত নাম জ্বলাইছে, তেওঁবিলাকলৈ চালেই এই কথাৰ সুন্দৰ প্ৰমাণ পোৱা যায়, তেওঁবিলাকৰ সকলোৱেই গভীৰ বিদ্যাৰ গৰাকী। আগৰ কালৰ খ্যাতিমন্ত মানুহবিলাকো বৰ বিদ্যাৱন্ত আছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ধন = বিদ্যা

বিদ্যা মানৱ মনৰ দীপ্তি, তাৰ ৰশ্মিৰ পোহৰত কাম কৰি মানুহে ধন, মান আৰু যশস্যা লাভ কৰে। বিদ্যাই আন্ধাৰ কাটি মন ফৰকাল নকৰিলে, মানুহে তাৰ ক্ষমতা লগাবলৈ ঠাই দেখা নাপায়। লিখনি থাকিলেও খনিকৰে আন্ধাৰত চিত্ৰ আঁকিব নোৱাৰে। বিদ্যাৰে মন পোহৰাই নল'লে সংসাৰত কৰ্ম কৰিবলৈ সুচল নহয়। এতেকে উদ্‌গতিৰ পথত যাত্ৰা কৰিবৰ আগেয়ে বিদ্যা যুগুত কৰি লোৱা উচিত।


লেখক - সত্যনাথ বৰা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সত্যনাথ বৰা (১৮৬০-১৯৫২) :

সত্যনাথ বৰাৰ জন্ম গুৱাহাটীত। 'জোনাকী', 'বিজুলী', 'আসাম বন্ধু', 'বাঁহী' আদি সমসাময়িক আলোচনীত তেখেতে প্ৰবন্ধ-পাতি লিখিছিল।



১৮৯৯ চনত তেখেত 'জোনাকী' কাকতৰ সম্পাদক আছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো


'আকাশ ৰহস্য', 'সাৰথি', 'সাহিত্য বিচাৰ', 'কেন্দ্রসভা', 'চিন্তাকলি, 'বহল ব্যাকৰণ' আদি গ্রন্থ ৰচনাৰ লগতে তেখেতে গীত আৰু খুহুটীয়া কবিতাও ৰচনা কৰিছিল। তেখেতৰ গীতৰ পুথিখনৰ নাম 'গীতাৱলী'। সত্যনাথ বৰাই লিখা বিভিন্ন প্রৱন্ধ আৰু পুথিসমূহত কথাশৈলীৰ বিশেষত্ব মন কৰিবলগীয়া। তদুপৰি, তেখেতৰ ভাষাশৈলীৰ মাজত নতুন চিন্তাৰ উন্মেষ লক্ষণীয়। 'বিদ্যা' পাঠটো তেখেতৰ 'সাৰথি' পুথিৰ পৰা লোৱা হৈছে।

Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





১। লিখনি থাকিলেও খনিকৰে আন্ধাৰত চিত্ৰ আঁকিব পাৰে নে নোৱাৰে ?

(ক) পাৰে

(খ) নোৱাৰে

Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। কি কৰিলে সংসাৰত কৰ্ম কৰিবলৈ সুচল হয়?

(ক) বিদ্যাৰে মন পোহৰাই ল'লে সংসাৰত কৰ্ম কৰিবলৈ সুচল হয়।

(খ) বিদ্যাৰে মন পোহৰাই নল'লে সংসাৰত কৰ্ম কৰিবলৈ সুচল হয়।